**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 08-06-2026 **Time :** 11 AM

**<u>11 AM NEWS</u>**

---

ইউৰোপীয় সংঘৰ এটা উচ্চ পৰ্যায়ৰ প্ৰতিনিধি দল দুদিনীয়া ভ্ৰমণসূচীৰে আজি অসমলৈ আহিব। এই ভ্ৰমণে অসমৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন খণ্ডত বিনিয়োগ আৰু নিয়োগৰ নতুন দুৱাৰ মুকলি কৰিব বুলি আশা কৰা হৈছে। প্ৰতিনিধি দলটোক অসমলৈ আদৰণি জনাই সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয়, যে ইউৰোপীয় সংঘৰ প্ৰতিনিধি দলৰ অসম ভ্ৰমণে ভাৰত-ইউৰোপীয় সংঘৰ মাজত শক্তিশালী সম্পৰ্ক, বাণিজ্য সম্পৰ্ক আৰু উমৈহতীয়া প্ৰগতিৰ গুৰুত্বপূৰ্ণ অধ্যায়ৰ সূচনা কৰিব। তেওঁ কয়, যে ইউৰোপীয়ান ব্লু ভেলী ক্লাষ্টাৰ উদ্যোগৰ অধীনত অসম আৰু ইউৰোপীয় সংঘৰ পাৰস্পৰিক ঔদ্যোগিক সক্ষমতাসমূহক একত্ৰিত কৰি জৈৱ আধাৰিত মূল্য সংযোজনৰ বাবে সুসংহত আৰু সমন্বিত ব্যৱস্থা গঢ়ি তোলা হ'ব। ইয়াৰ ফলত কৃষি, খাদ্য প্ৰসংস্কৰণ, জৈৱ প্ৰযুক্তি, শক্তি আদি বিভিন্ন ক্ষেত্ৰত উদ্ভাৱন, বিনিয়োগ আৰু প্ৰযুক্তিগত অৰ্থনৈতিক বিকাশৰ সুযোগ সৃষ্টি কৰিব বুলি ড০ শৰ্মাই প্ৰকাশ কৰে।

০০০০০০০০

ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতত জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ বিচাৰ প্ৰক্ৰিয়া আজি আৰম্ভ হ'ব। বিচাৰৰ প্ৰথম দিনটোতে আদালতে ৪ জন সাক্ষীক তলব কৰিছে। আদালতে গোচৰ সংক্ৰান্তত মৰিগাঁও জিলাৰ আৰক্ষী অধীক্ষক হেমন্ত কুমাৰ দাস, জুবিন গাৰ্গৰ মৃত্যু সন্দৰ্ভত এজাহাৰ দাখিল কৰা ৰাতুল বৰা, মৰিগাঁৱৰ ভাৰপ্ৰাপ্ত বিষয়া প্ৰণৱ শইকীয়া, আৰু আৰক্ষী পৰিদৰ্শক ভাস্কৰ বৰ্মনক আজি আদালতত হাজিৰ হৈ সাক্ষ্য দিবলৈ নিৰ্দেশ জাৰি কৰিছে। উল্লেখযোগ্য যে ফাষ্টট্ৰেক আদালতে যোৱা ২৬ মে'ত জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ ৭ গৰাকী অভিযুক্তৰ বিৰুদ্ধে গোচৰৰ ধাৰা আৰোপ কৰিছিল। ইয়াৰ ভিত্তিত আদালতে আজিৰ পৰা প্ৰতিদিনে জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত সাক্ষীৰ সাক্ষ্য গ্ৰহণ কৰিব।

০০০০০০০০

বজালী জিলাৰ ভৱানীপুৰ আৰক্ষীয়ে কালি অভিযান চলাই বুজন পৰিমাণৰ ভাংসহ এজন লোকক আটক কৰে। আৰক্ষীয়ে ভৱানীপুৰৰ পুবহাটী অঞ্চলত চলোৱা এই অভিযানত প্ৰায় ৪ কিলোগ্ৰাম ভাং জব্দ কৰে। ধৃত বাবুল সোণাৰী নামৰ লোকজনে দীৰ্ঘদিন ধৰি নিজৰ বাসগৃহৰ পৰাই অবৈধভাৱে ভাঙৰ ব্যৱসায় চলাই আহিছিল বুলি আৰক্ষীয়ে জনাইছে। আৰক্ষীয়ে ঘটনা সংক্ৰান্তত তদন্ত অব্যাহত ৰাখিছে।

০০০০০০০০

কোকৰাঝাৰ জিলাত মাধ্যমিক শিক্ষক আৰু কৰ্মচাৰী সন্থাৰ এখন কাৰ্যনিৰ্বাহক সভা আজি অনুষ্ঠিত হয়। সভাৰ অন্তত এখন সংবাদমেলত শিক্ষক আৰু কৰ্মচাৰী সন্থাই শিক্ষা বিভাগৰ বিভিন্ন সমস্যা আৰু দাবীসমূহৰ বিষয়ে আলোচনা কৰা হয় বুলি প্ৰকাশ কৰে। সন্থাই মাধ্যমিক বিদ্যালয়ত স্থায়ী প্ৰধান শিক্ষকৰ নিযুক্তি প্ৰদানৰ বাবে চৰকাৰক ধন্যবাদ জনায়। সন্থাই লগতে এতিয়াও নিযুক্তি সম্পূৰ্ণ নোহোৱা জিলাসমূহত শীঘ্ৰেই ব্যৱস্থা গ্ৰহণৰ বাবে আহ্বান জনায়। তদুপৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়সমূহত অধ্যক্ষ

নিযুক্তিৰ বাবে প্ৰকাশিত বিজ্ঞাপনত ভাৰপ্ৰাপ্ত অধ্যক্ষসকলৰ ক্ষেত্ৰত বয়সৰ উচ্চসীমা শিথিল কৰাৰ দাবী উত্থাপন কৰে।

00000000

বাক্সা জিলাৰ জ্যেষ্ঠ সাংবাদিক তথা অৱসৰপ্ৰাপ্ত শিক্ষক খগেন ভূঞাৰ শনিবাৰে নিশা মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৬৮ বছৰ। তেওঁ আজিৰ বাতৰি, আমাৰ অসম আৰু দৈনিক অগ্ৰদূত কাকতৰ স্থানীয় সংবাদদাতা হিচাপে সেৱা আগবঢ়াইছিল। ভূঞাৰ মৃত্যুত বাক্সা জিলাৰ প্ৰেছ ক্লাবকে ধৰি বিভিন্ন দল-সংগঠনে শোক প্ৰকাশ কৰিছে।

00000000

ওদালগুৰি জিলাৰ টংলা নিবাসী জিলা স্বাস্থ্য বিভাগৰ আশা ছুপাৰভাইজাৰ মৃদুলা বৰুৱাৰ কালি নিশা দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৫১ বছৰ।

00000000

প্ৰসিদ্ধ চেতাৰবাদক প্ৰদ্যুম্ন দাসৰ কালি নিশা গুৱাহাটীৰ এখন হাস্পতালত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮৯ বছৰ। শিলচৰত জন্মলাভ কৰা প্ৰয়াত দাসে প্ৰথম সময়ছোৱাত নগাঁৱত আৰু পৰৱৰ্তী কালত দিল্লীত চেতাৰৰ শিক্ষা গ্ৰহণ কৰে। তেওঁ বিশ্ব প্ৰসিদ্ধ চেতাৰবাদক পণ্ডিত ৰবি শংকৰৰ পৰা ৫ বছৰ কাল চেতাৰৰ শিক্ষা গ্ৰহণ কৰিছিল। আকাশবাণী শিলচৰ কেন্দ্ৰৰ এগৰাকী স্থায়ী শিল্পীৰূপে কৰ্মজীৱন আৰম্ভ কৰা প্ৰয়াত দাসে ১৯৮৫ চনত গুৱাহাটী আকাশবাণী কেন্দ্ৰৰ পৰা অৱসৰ গ্ৰহণ কৰে। তেওঁৰ মৃত্যুত আকাশবাণী শিলচৰ আৰু গুৱাহাটী কেন্দ্ৰৰ কৰ্মচাৰীসকলৰ লগতে ভালেসংখ্যক শিষ্য আৰু গুণমুগ্ধই শোক প্ৰকাশ কৰে

00000000

ভাৰত আৰু আফগানিস্তানৰ মাজত নিউ চণ্ডিগড়ত অনুষ্ঠিত টেষ্ট ক্ৰিকেটৰ প্ৰথম ইনিংছত আফগানিস্তানে কালি প্ৰথম দিনাৰ অন্তত ৫ উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ১১৩ ৰানৰ পৰা আজি তৃতীয় দিনৰ খেল আৰম্ভ কৰিছে। দলটোৱে বৰ্তমান ৯ উইকেটৰ বিনিময়ত ১৫২ ৰান কৰি খেলি আছে।

ইয়াৰ পূৰ্বে ভাৰতে কালি নিজৰ প্ৰথম ইনিংছৰ সামৰণিত ৮ উইকেটৰ বিনিময়ত ৫৬৪ ৰান সংগ্ৰহ কৰে। দলৰ হৈ অধিনায়ক সুভমন গীলে ১২৬ ৰান কৰাৰ লগতে কে এল ৰাহুলে ১০০ ৰান কৰে। ঋষভ পণ্ট আৰু সাই সুদৰ্শনে ৮১ ৰানকৈ বৰঙণি আগবঢ়ায়। ৱাশ্বিংটন সুন্দৰ ৫২ ৰান কৰি আউট নোহোৱাকৈ থাকে। আফগানিস্তানৰ চলিম ছাফিয়ে ৬টা উইকেট লাভ কৰে।

00000000

**সমাপ্ত**